জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৮৫/২০২৩

# প্ৰতিমা বৰুৱা পাণ্ডেৰ বাসগৃহ হাৱা মহল সংৰক্ষণাৰ্থে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

## নিজৰ ইতিহাস আৰু অতীতৰ সৈতে সম্পৰ্ক নাৰাখিলে এটা সম্প্ৰদায়ে দীৰ্ঘদিন ধৰি বিকশি উঠিব নোৱাৰে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২ জানুৱাৰী ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সহযোগত আৰু ধুবুৰী জিলা প্ৰশাসনৰ সহযোগত গৌৰীপুৰৰ মাটিয়াবাগত গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী পদ্মশ্ৰী প্ৰতিমা বৰুৱা পাণ্ডেৰ বাসগৃহটো সংৰক্ষণাৰ্থে আয়োজিত হাৱা মহল হস্তান্তৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। উল্লেখ্য যে গৌৰীপুৰ ৰাজ পৰিয়ালৰ প্ৰভাত চন্দ্ৰ বৰুৱাই এই হাৱা মহল নিৰ্মাণ কৰিছিল। গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰয়াত প্ৰতিমা বৰুৱা পাণ্ডেৰ বাসগৃহটো তেওঁৰ পৰিয়ালৰ সদস্যসকলে সংৰক্ষণাৰ্থে অসম চৰকাৰলৈ আগবঢ়াইছে। গদাধৰ নৈৰ পাৰত অৱস্থিত এই হাৱা মহল নিৰ্মাণৰ কাম ১৯১৪ চনত সম্পূৰ্ণ হয় আৰু সেই সময়ত ইয়াৰ নিৰ্মাণ ব্যয় হৈছিল ৩.২ লাখ টকা। অসম চৰকাৰে প্ৰতিমা বৰুৱা পাণ্ডেৰ পৰিয়ালৰ সদস্যসকলক তেওঁলোকৰ পূৰ্বপুৰুষৰ সম্পত্তিৰ মালিকীস্বত্ত্ব হিচাপে ১৫.২০ কোটি টকা প্ৰদান কৰিছে।

অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে হাৱা মহল এক ঐতিহ্যমণ্ডিত স্মৃতিসৌধ আৰু ইয়াক সংগ্ৰহালয়লৈ ৰূপান্তৰিত কৰাটো গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞীৰ প্ৰতি এক উপযুক্ত শ্ৰদ্ধাঞ্জলি। হাৱা মহল আৰু ইয়াৰ সৈতে জড়িত সম্পদসমূহ সংৰক্ষণৰ ক্ষেত্ৰত বৈজ্ঞানিক পদ্ধতিৰ অভাৱত ক্ৰমান্বয়ে ক্ষয় আৰু ধ্বংসৰ দিশত আগবাঢ়িছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আজি আনুষ্ঠানিকভাৱে ইয়াৰ মালিকীস্বত্ত্ব ৰাজ্য চৰকাৰক গতাই দিয়াৰ ফলত এই ঐতিহাসিক গৃহটোৱে উপযুক্ত তদাৰক আৰু সামগ্ৰীসমূহ সংৰক্ষণ সুনিশ্চিত কৰিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে প্ৰতিমা বৰুৱা পাণ্ডেৰ পৰিয়ালৰ সদস্যসকলৰ প্ৰতিও তেওঁলোকৰ উদাৰতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লগতে কয় যে পূৰ্ব পুৰুষৰ সম্পত্তিৰ সৈতে বিদায় লোৱাটো কেতিয়াও কাৰো বাবে সহজ সিদ্ধান্ত নহয়।

হাৱা মহলৰ পৰা গোৱালপৰীয়া লোক সংগীতে ৰাজ্য তথা দেশৰ ভিন্ন প্ৰান্তলৈ বিয়পি পৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৌহদটো উন্নয়ন সাধন কৰাৰ সমান্তৰালকৈ গৌৰীপুৰবাসীৰ আৱেগ-অনুভূতিক যথোপযুক্তভাৱে গুৰুত্ব প্ৰদান কৰিব। তেওঁ কয় যে ২০২৩ চনৰ ভিতৰত পুনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিব আৰু ২০২৪ বৰ্ষৰ ১ জানুৱাৰীৰ পৰা এই হাৱা মহল জনসাধাৰণৰ বাবে মুকলি কৰি দিয়াৰ লক্ষ্য লোৱা হৈছে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে ভাষণত প্ৰতিমা বৰুৱা পাণ্ডেৰ জীৱন আৰু কৰ্মৰাজি আলোকপাত কৰে। ৰাজকীয় পৰিয়ালত জন্ম লোৱাৰ পিছতো তেওঁ সাধাৰণ মানুহৰ দৰে জীৱন-যাপন কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁৰ সংগীতত নিজৰ জীৱনৰ সৰলতা আৰু অসাধাৰণ ব্যক্তিত্বৰ প্ৰতিফলন হৈছিল। তেওঁ বিশেষকৈ মাউত আৰু হাতীৰ মাজৰ সম্পৰ্কে পৰ্যবেক্ষণ কৰি সংগীতত তাক চিত্ৰিত কৰিছিল।

এটা সম্প্ৰদায়ে নিজৰ ইতিহাস আৰু অতীতৰ সৈতে সম্পৰ্ক নাৰাখিলে দীৰ্ঘদিন ধৰি বিকশি উঠিব নোৱাৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ধুবুৰী জিলাৰ জনসাধাৰণক ধৰ্মীয় আৰু জনগোষ্ঠীৰ চিন্তাৰ উৰ্দ্ধলৈ উঠি ঐক্যবদ্ধভাৱে সমৱেত হৈ থলুৱা বিশ্বাস আৰু সংস্কৃতিৰ সংৰক্ষণৰ হকে কাম কৰিবলৈ আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বড়া, ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী তথা পৰ্যটন আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰ, সাংস্কৃতিক বিভাগৰ সচিব লয়া মাদুৰী আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়া, প্ৰতিমা বৰুৱা পাণ্ডেৰ পৰিয়ালৰ সদস্যসকল উপস্থিত থাকে।

**অঃহাঃ / পুঃডেঃ**
**২/১/২০২৩**